घोषणापत्र के अधिप्रमाण के बाद प्रकाशक को वर्ष 1 अंक 1 का प्रकाशन तथा घोषणापत्र में यथा उल्लिखित प्रेस से मुद्रण कराना होगा। **प्रकाशन में मुख्य रूप से समाचार/विचार/लेख** आदि होने चाहियें।प्रकाशन में निम्न बातों का ध्यान रखा जाना चाहिए:
After authentication of declaration,the publisher should publish and print volume 1 issue 1 of the publication **printed in the press** mentioned in the declaration.The publication should **primarily contain news/views/article etc.** Following should be taken care of, in the publication:

(क)मॉस्टहेड में दर्शाया गया शीर्षक यथा अनुमोदित होना चाहिए तथा किसी विद्यमान शीर्षक के सदृश/नकल नहीं होना चाहिए।प्रकाशन के मॉस्टहेड में शीर्षक का प्रदर्शन एक समान फॉट/अक्षर आकार में 25 प्रतिशत से अधिक का अंतर नहीं होना चाहिए। शीर्षक का प्रदर्शन उर्धवाधार अथवा क्षितिज रूप में होना चाहिए।
The title displayed in the masthead should be as approved and should not resemble/imitate any existing title.The title shall be displayed in uniform font/letter size in masthead of the publication.The difference in font/letter size should not be more than 25%.The title shall be displayed either horizontally or vertically.
(ख)मॉस्टहेड तथा प्रत्येक पृष्ठ पर वर्ष तथा अंक संख्या,तारीख/महीना/वर्ष तथा प्रकाशन स्थल का भी स्पष्ट रूप से उल्लेख होना चाहिए।
The masthead and each page should also display clearly volume and issue no.,date/month/year and publication city.
(ग)इंप्रिंट लाइन स्पष्ट रूप से इस प्रकार छपी होनी चाहिए "मुद्रक_____तथा प्रकाशक_____द्वारा (स्वामी का नाम) के पक्ष में_____(मुद्रण स्थल) से मुद्रित तथा_____(प्रकाशन स्थल) से प्रकाशित,संपादक_____"□
The **imprint line**should be printed legibly as"printed by_____and published by_____on behalf of_____(name of owner)_____and printed at_____(place of printing) and published at_____(place of publication)_____Editor_____"
(अंग्रेज़ी अथवा हिंदी के अलावा अन्य भाषाओं के प्रकाशनों के मामले में शीर्षक,वर्ष/अंक संख्या,तारीख/महीना/वर्ष,प्रकाशन स्थल तथा इंप्रिंट लाइन को अंग्रेज़ी में भी संदर्भ हेतु (छोटे फॉट आकार में हो सकता है) दर्शाया जाना चाहिए।)

RNI Letter for the News Magazine of the College

A workshop on State Level ***Diha Nam(Assamese folk culture) and its Practices*** in collaboration with the department of Assamese of the College



Online Web Lecture in collaboration with Krishna Guru Adhayamik University, Borpeta. **Name of the topic: Challenge and prospect to the Assamese Language and Culture**



Organized All Asom Poet Sanmilon and released of 100 numbers of poetry book on 30th January, 2022

বার্তালোচনী 'যুগবার্তা' উন্মোচন

প্রতিদিন বিশেষ সেৱা, যোৱহাট, ১৭ জানুৱাৰী ঃ অসমত প্রায় ২৬ হেজাৰ গাঁও আছে। এই গাঁওসমূহৰ সামাজিক-সাংস্কৃতিক-শৈক্ষিক ইতিহাস সঠিক ৰূপত উপস্থাপন কৰিব পাৰিলেহে অসমীয়া জাতি অতি শক্তিশালী ৰূপত গঢ়ি উঠিব। আজি শিল্পী দিবস উপলক্ষে যোৱহাটৰ চিনামৰা মহাবিদ্যালয়ত আয়োজন কৰা এক গাম্ভীর্যপূর্ণ অনুষ্ঠানত এই মন্তব্য কৰে মহাবিদ্যালয়খনৰ প্রতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়াই। চিনামৰা মহাবিদ্যালয়ত প্রকাশনৰ দ্বাৰা প্রকাশিত বার্তালোচনী 'যুগবার্তা' উন্মোচনী অনুষ্ঠানত প্রতিষ্ঠাপক অধ্যক্ষগৰাকীয়ে লগতে কয় যে ৰাজ্যখনৰ বিশেষকৈ গ্রামাঞ্চলৰ ইতিহাসসমূহ সঠিক ৰূপত উপস্থাপন কৰিব পাৰিলেহে নতুন প্রজন্মক নিজৰ জাতিটোৰ ভবিষ্যতৰ উত্তৰণৰ দিশত ভাবিবলৈ এবাৰলৈ হ'লেও চিন্তা কৰিবলৈ বাধ্য কৰাব পৰা যাব। এই লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখিয়েই চিনামৰা মহাবিদ্যালয় প্রকাশনে প্রকাশ কৰি উলিয়াইছে বার্তালোচনী 'যুগবার্তা'। এই যুগবার্তাত প্রাধান্য দিয়া হ'ব ৰাজ্যৰ প্রতিখন গাঁৱৰ ইতিহাস। মহাবিদ্যালয়খনৰ প্রতিষ্ঠাপক অধ্যক্ষগৰাকীয়ে ইতিমধ্যে ১৭৯ খনকৈ গ্রন্থ প্রকাশ কৰাৰ পিচত আজি এখন যুগবার্তাৰ দৰে বার্তালোচনী প্রকাশ কৰিবলৈ পাই অতিকে সুখী অনুভৱ কৰা বুলি মন্তব্য কৰে। যোৱহাটৰ জিলা সাহিত্য সভাৰ প্রাক্তন সভাপতি ইন্দ্রাক্ষী কুমাৰ ৰৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত উন্মোচনী সভাত মহাবিদ্যালয়খনৰ বর্তমানৰ অধ্যক্ষ ড' অঞ্জনজ্যোতি শইকীয়াই আৰম্ভণী ভাষণত কয়— বিগত কিছুদিন ধৰি অসমৰ একাশ সংবাদ মাধ্যম আৰু বৈদ্যুতিন মাধ্যমে অসমীয়া জাতি আৰু ভাষাক লৈ আমাক শংকিত কৰি তুলিছে। আজি জ্যোতিপ্রসাদ আগৰৱালাৰ প্রতিচ্ছবিত শিক্ষাবিদ বীণাপাণি মহন্তই বস্তি প্রজ্বলন কৰাৰ পিচতে এশগৰাকী ব্যক্তিৰ দ্বাৰা মহাবিদ্যালয়ে প্রকাশ কৰি উলিওৱা বার্তালোচনী 'যুগবার্তা' উন্মোচন কৰা হয়। সভাত চাহ জনগোষ্ঠী সাহিত্য সভাৰ প্রাক্তন সভাপতি মাণিকলাল মাহাত, কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক বিপিন খণ্ডীয়াকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্রহণ কৰে। আনহাতে এই এক আইৰ যোৱহাট জিলা সমিতিয়েও আজি চহৰখনৰ প্রান্তে প্রান্তে শিল্পী দিবস উদ্‌যাপন কৰে।

চিনামৰা মহাবিদ্যালয়ৰ ব্যতিক্ৰমী, প্ৰশংসনীয় প্ৰয়াস

'যুগবাৰ্তা'ৰ যুগজয়ী অংগীকাৰ

চিনামৰা মহাবিদ্যালয়ৰ কাকত আৰু গ্ৰন্থ প্ৰকাশৰ এই উদ্যম আৰু কীৰ্তিমান প্ৰয়াসে উজ্জ
কৰিব পাৰে ক্ৰমশঃ নিস্তেজ, নিথৰ হ'ব ধৰা অসমৰ বৌদ্ধিক প্ৰগতিৰ পৰিমণ্ডলক।

ড° ভূপেন্দ্ৰ নাথ গোস্বামী

যুগবাৰ্তা'ৰ লক্ষ্য সামাজিক দায়বদ্ধতাৰে সমাজৰ অশুভ শক্তিৰ বিপৰীতে শুভ শক্তিক প্ৰতিষ্ঠা। দুস্কৃতিৰ বিৰুদ্ধে সংস্কৃতিৰ প্ৰতিষ্ঠা। অধ্যয়ন বিমুখিতাৰ বিপৰীতে অধ্যয়নৰ পৰিবেশ শক্তিশালী কৰি এক বৌদ্ধিক বাতাৱৰণ গঢ়ি তোলা 'যুগবাৰ্তা'ৰ অন্যতম লক্ষ্য। 'যুগবাৰ্তা'ই লক্ষ্যত ল'ব প্ৰাচীন চিন্তাবিদৰ চিন্তাৰ দেশ তথা সমাজ প্ৰগতিৰ বাবে উৎক্ষেপণ, শিশুৰ পৰা জ্যেষ্ঠলৈকে এচাম নতুন লেখকৰ সৃষ্টি, এচাম প্ৰচাৰ বিমুখ লোকে নিৰন্তৰ সংস্কৃতিৰ সাধনা কৰিছে তেনে চাম লোকৰ কৰ্মৰ স্বীকৃতি, সমসাময়িক যিকোনো বিষয়ৰ বস্তুনিষ্ঠ পৰ্যালোচনা, ধৰ্মীয়, ৰাজনৈতিক, সাম্প্ৰদায়িক আদি দিশৰ উদ্দেশ্য প্ৰণোদিত সমালোচনাৰ বিপৰীতে ইতিবাচক তথা গঠনমূলক চিন্তাক গতিশীল কৰাত ভূমিকা লোৱা...।' 'যুগবাৰ্তা'ৰ প্ৰথম সংখ্যাৰ সম্পাদকীয়ত উল্লিখিত এইকেইশাৰী বাক্যৰ আৱৰ্ততে ৰৈ আছে প্ৰবল দায়বদ্ধতাৰ সুবিমল অংগীকাৰ। "Technology and comodification of Higher Education" শীৰ্ষক এটি নিবন্ধত ডেভিড্ এফ. নোবেলে লিখিছিল — 'শিক্ষাই জ্ঞান আৰু সত্তাৰ সমন্বয় ঘটায় আৰু তাৰ জৰিয়তে আত্ম অন্বেষণৰ বাবে সক্ষম কৰি তোলে। তদুপৰি শিক্ষাৰ এক সামাজিক চৰিত্ৰ আৰু গুৰুত্ব আছে। কাৰণ শিক্ষাদান আৰু গ্ৰহণ প্ৰক্ৰিয়াটোৱে এক 'আন্তঃব্যক্তি' সম্পৰ্ক গঢ়ি তোলে। গতিকে শিক্ষা ব্যৱস্থাই জ্ঞানৰ পৰিধি বৃদ্ধি কৰাৰ লগতে এক সামাজিক জ্ঞানৰো সৃষ্টি কৰে।... আন্তঃব্যক্তি সম্পৰ্কৰ জৰিয়তে শিক্ষানুষ্ঠান হৈ উঠে চিন্তাৰ অবিৰত আদান-প্ৰদানৰ উন্মুক্ত ক্ষেত্ৰ।' পাঠ্যক্ৰমৰ বাধ্যবাধকতাৰ পৰিসীমা অতিক্ৰমী সহ-পাঠ্যক্ৰম (Co-curricular) আৰু অতিৰিক্ত পাঠ্যক্ৰমৰ (Extra-curriculum) সমান্তৰাল ব্যৱস্থা আৰু সুষম ব্যৱস্থাপনাইহে প্ৰকৃত শিক্ষাৰ দুৱাৰ মুকলি কৰিবলৈ সমৰ্থ। ৰাধাকৃষ্ণণদেৱে সেয়ে বাৰম্বাৰ দোহাৰিছিল— 'ব্যক্তিৰ সৰ্বদিশত সমবিকাশ সাধন যিকোনো সন্তোষজনক শিক্ষা ব্যৱস্থাৰ লক্ষ্য হোৱা উচিত।' নিঃসন্দেহে চিনামৰা মহাবিদ্যালয়ৰ শৈক্ষিক পৰিমণ্ডলৰ ব্যৱস্থাপনাত 'যুগবাৰ্তা'ৰ সংযোজনে তেনে এক অভিপ্ৰায়ৰে পৰিচ্ছন্ন প্ৰতিফলন।

তিনিকুৰিৰো অধিক মূল্যৱান লেখাৰে সমৃদ্ধ 'যুগবাৰ্তা'ৰ আত্মদেহত প্ৰতিফলিত হৈ ৰৈছে সমাজ দায়বদ্ধতাৰ অপূৰ্ব চানেকি। ভালেকেইজন খ্যাতিমান পণ্ডিত, চিন্তাবিদ, সাহিত্যিকৰ তথ্যসমৃদ্ধ চিন্তা উদ্ৰেককাৰী লিখাৰ সমান্তৰালকৈ গ্ৰন্থখনত সন্নিৱিষ্ট হৈছে নতুন এচাম লেখকৰ সুচিন্তিত এলানি লিখা। গ্ৰন্থখনৰ সামগ্ৰিক ৰূপটোত প্ৰায় অভ্ৰান্তভাৱে বিকশিত 'যুগবাৰ্তা'ৰ ঘোষিত লক্ষ্য আৰু উদ্দেশ্য। একপটে স্বীকাৰ কৰিবই লাগিব যে উচ্চ শিক্ষাৰ কেন্দ্ৰবোৰত বৌদ্ধিক কৰ্ষণৰ প্ৰচুৰ আৰু পৰিব্যাপ্ত অৱকাশ সৃষ্টি কৰা আৰু সেইবোৰৰ যথাযথ আশু প্ৰয়োগ আৰু নিৰৱচ্ছিন্ন প্ৰবাহৰ মাজতে অৱস্থান কৰে বৌদ্ধিক বিকাশৰ মৌলিক চলমান উপাদানবোৰে। চিনামৰা মহাবিদ্যালয়ে 'যুগবাৰ্তা' প্ৰকাশৰ প্ৰয়াসত অংকন কৰিছে চিন্তন আৰু মননৰ এক সুদূৰপ্ৰসাৰী বাংময় বাসনা। একক, অনন্য আৰু ব্যতিক্ৰম

হিচাপে অসমৰ মহাবিদ্যালয়বোৰৰ কৰ্মপঞ্জীত চিনামৰা মহাবিদ্যালয়ৰ এনে দূৰদৰ্শী প্ৰচেষ্টা নিঃসন্দেহে প্ৰশংসনীয় আৰু শিক্ষাৰ সচেতন সৰ্বাত্মক বিকাশ নিশ্চিত কৰিব বিচৰা প্ৰতিজন শিক্ষাগ্ৰহী সচেতন মানুহৰ বাবে অনুকৰণীয়।

'যুগবাৰ্তা'ৰ এই প্ৰথমটো সংকলনত সমাহাৰ ঘটিছে নবীনৰপৰা প্ৰবীণলৈ দুকুৰিৰো অধিক লেখকৰ লিখনি। ড° অনিল কুমাৰ শইকীয়া, ড° গিৰীশ বৰুৱা, আনন্দ শইকীয়া, ইন্দ্ৰজিৎ কুমাৰ বৰুৱা, আকাশদীপ্ত ঠাকুৰ, ৰিপুঞ্জয় গগৈ, জয়কান্ত গন্ধীয়া, দেবেন্দ্ৰ চৰণ বৰবৰুৱা আদিৰ দৰে প্ৰথিতযশা সাহিত্য কাণ্ডাৰীৰ পৰা নবীন চিন্তাশীল লেখকৰ লিখনিত পৰিস্ফুট হৈ পৰি সমাজ, ইতিহাস, দৰ্শন, শিক্ষা, ৰাজনীতি, অৰ্থনীতি আদি মননশীল লিখনি। একেদৰে মঞ্জিৰা ডেকা, মাধুৰ্য মিলি, ম শৰ্মা, ৰূপজ্যোতি নাথ, ডেচ্ডিমনা দাস, দিলীপ কাপাডিয়া উদীয়মান নবীন লেখকৰ লিখনিতো প্ৰতিশ্ৰুতিপূৰ্ণ পয়োজ গ্ৰন্থখনত সন্নিৱিষ্ট প্ৰায়বোৰ লিখনিয়ে সামগ্ৰিকভাৱে সাম্প্ৰ আৰু সমাজৰ পৰিপ্ৰেক্ষিতত নিতান্তই প্ৰাসংগিকতা চিনামৰা মহাবিদ্যালয়ৰ কাকত আৰু গ্ৰন্থ প্ৰকাশৰ এই কীৰ্তিমান প্ৰয়াসে উজ্জীৱিত কৰিব পাৰে ক্ৰমশঃ নিস্তে হ'ব ধৰা অসমৰ বৌদ্ধিক প্ৰগতিৰ পৰিমণ্ডলক।

গ্ৰন্থাকাৰে প্ৰকাশত যুগবাৰ্তাৰ নিৰ্বাচিত লিখনিবোৰৰ আটকধুনীয়াকৈ সুপৰিকল্পিতভাৱে সজ্জিত কৰাৰ কৃতিত্ব দ্বীপেন নাথ সমন্বিতে সম্পাদনা সমিতিৰ সামূহিক প্ৰাপ্তি। স পূৰ্ণতাৰ পিছতো উল্লেখ অৱশ্যেই বাঞ্ছনীয় যে লি পাদটীকাত 'যুগবাৰ্তা'ৰ কোন সংখ্যাত, কোন তাৰিখত লিখনি সেইটোৰ উল্লেখ ঘটনাপ্ৰবাহ, সামাজিক পৰিবেশ চিন্তা-চেতনাৰ তাগিদা, আৰু অন্যান্য প্ৰাসংগিকতাক পৰি পশ্চাদত পৰৱৰ্তী সময়ৰ ঐতিহাসিক মূল্যয়ানৰ প্ৰয়োজন আৰু অপৰিহাৰ্য। চিনামৰা মহাবিদ্যালয়ে যি এক ব্যক্তিক্ৰমী মহাবিদ্যালয়ৰ শৈক্ষিক পৰিমণ্ডলক বৌদ্ধিক উৎক গতিশীল কৰিবলৈ বিচাৰিছে সেই প্ৰসংগতে অসম বাতাৱৰণত প্ৰবল আৰু প্ৰচ্ছন্ন ৰূপত মূৰ দাঙি উঠ কৈবল্যাক্ৰান্ত বিষয়টো মহামানৱ মহাত্মা গান্ধীৰ শিক্ষা সংজ্ঞাটোৰে তুলি ধৰিলোঁ— "By education I mea round drawing out of the best in child and ma soul and mind. Literacy itself is not educati মন আৰু সত্তাৰ সৰ্বোত্তম সৰ্বাত্মক বিকাশে হ'ল প্ৰকৃত ডিগ্ৰীধাৰীসকলৰ কিয়দংশই সেই অৰ্থতে স্বাক্ষৰহে, শি সাম্প্ৰতিক সমাজ পৰিপ্ৰেক্ষিতত সততে প্ৰত্যক্ষ কৰি অ তথাকথিত উচ্চ ডিগ্ৰীধাৰীৰ ভূমিকাই সেই সত্যকে প্ৰতি 'যুগবাৰ্তা'ই সঁচা অৰ্থত প্ৰকৃত শিক্ষিত মানুহৰ সমাজ ক্ষেত্ৰত এক নিয়ামকৰ ভূমিকা যে পালন কৰিবলৈ গৈ কথা কৰ্ম আৰু প্ৰয়াসতে পৰিস্ফুট।

(লেখক মৰিয়নি মহ
ভূগোল বিভাগৰ সহযোগী
ফ'ন ঃ ৯৫৩১

চিনামৰা মহাবিদ্যালয়ত 'গুৰু মহীয়ান' আনন্দ কেওট স্মাৰক বঁটা প্ৰদান অনুষ্ঠান

যোৰহাট ঃ ৮ ছেপ্টেম্বৰ ঃ চিনামৰা মহাবিদ্যালয়ত ৫ ছেপ্টেম্বৰত শিক্ষক দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয় প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত বাৰ্তালোচনী 'যুগবাৰ্তা'ৰ উদ্যোগত কৃতী শিক্ষকৰ বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ 'গুৰু মহীয়ান' আনন্দ কেওট সোঁৱৰণী কৃতী শিক্ষক বঁটা চিনামৰা মহাবিদ্যালয়ে দাতা পৰিয়ালৰ সহযোগত প্ৰদানৰ ব্যৱস্থা কৰে। প্ৰতিবছৰে প্ৰদান কৰিব লগা উক্ত বঁটা এই বছৰ প্ৰথম প্ৰৱৰ্তন কৰা হয় আৰু উক্ত বঁটা লাভ কৰে মৰিয়নি মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰফুল্ল বৰা আৰু ভেলেউগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক দেবেন্দ্ৰ নাথ বৰাই। মহাবিদ্যালয়ৰ উদ্যোগত প্ৰতিষ্ঠাকালৰ পৰা বিভিন্ন ক্ষেত্ৰলৈ বৰঙনি আগবঢ়োৱা শতাধিক লোকক কৰ্ম স্বীকৃতিৰে বঁটা প্ৰদান কৰাৰ দৰে এইবাৰ এই বঁটা প্ৰতিষ্ঠাপক অধ্যক্ষ তথা সভাৰ মুখ্য অতিথি আনন্দ শইকীয়াৰ হাতেৰে প্ৰদান কৰা হয়। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰি উজনি অসম ইগন'ৰ সঞ্চালক ড° অনিল চন্দ্ৰ বৰাই বৰ্তমান গুণগত শিক্ষাৰ বিষয়ত ভাষণ আগবঢ়ায়। যুগবাৰ্তাৰ সম্পাদক ড° দ্বীপেন নাথে আঁত ধৰা আৰু আদৰণী ভাষণ আগবঢ়োৱা সভাখনত সভাপতিত্ব কৰে অধ্যক্ষ ড° অঞ্জন শইকীয়াই। সভাত দাতা পৰিয়ালৰ হৈ কোঁৱৰপুৰ পানীতোলা নিৱাসী ৰাজীৱ লোচন বৰুৱা আৰু অঞ্জুমণি বৰুৱা উপস্থিত থাকি বক্তব্য আগবঢ়ায়। পুৱা ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ আৰু গুৰু মহীয়ান আনন্দ কেওটৰ-প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে সমাজকৰ্মী প্ৰতাপ চন্দ্ৰ শৰ্মাই। মহাবিদ্যালয়ৰ ছাত্ৰী ৰাজশ্ৰী কলিতা, প্ৰিয়ংকা বৰা, প্ৰাঞ্জনা নেওগ আৰু বৰ্ণালী বৰাই গুৰু বন্দনাৰে আৰম্ভ কৰা সভাখনত মুখ্য অতিথিৰ ভাষণ আগবঢ়ায় আনন্দ শইকীয়াই বঁটা প্ৰাপকৰ গুণৰাজি বিশ্লেষণ কৰাৰ লগতে বঁটা দাতা পৰিয়ালৰ শলাগ লয়। সভাত ক্ৰমে বঁটাপ্ৰাপক দেবেন্দ্ৰ নাথ বৰা আৰু প্ৰফুল্ল বৰুৱাৰ লগতে অধ্যাপক বিকাশ চন্দ্ৰ দাস, অধ্যক্ষা নীহাৰিকা ৰাণী কোঁৱৰ, ছাত্ৰ পঞ্চানন শইকীয়া আদিয়ে বক্তব্য আগবঢ়ায় আৰু সভাৰ শলাগ জ্ঞাপন কৰে অধ্যাপক হেমন্ত কুমাৰ হাজৰিকাই। সভাত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সহযোগী পল্লৱী বৰাই নিজৰ মাতৃৰ নামত দুগৰাকী ছাত্ৰ-ছাত্ৰীলৈ দুবছৰৰ বাবে আগবঢ়োৱা ছাত্ৰ বৃত্তি পাৰ্থ প্ৰতিম শইকীয়া আৰু চনিয়া বৰুৱাক প্ৰদান কৰে। এই সভাতে বাৰ্তালোচনা যুগবাৰ্তাৰ তৃতীয় বৰ্ষৰ পঞ্চম সংখ্যা মুকলি কৰা হয়।

বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক বগাৰাম নাথ সোঁৱৰণী সাহিত্য প্ৰতিযোগিতা

যোৰহাট ঃ ১৪ জুন ঃ চিনামৰা মহাবিদ্যালয় শাখা সাহিত্য সভা প্ৰকাশন আৰু যুগবাৰ্তা (বাৰ্তালোচনী)ৰ তৰফৰ পৰা বিশিষ্ট শিক্ষাবিদ, কবি, গল্পকাৰ মাজুলী ৰঙাচাহী তনুৰাম নাথ হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক তথা ৰহাচাহী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ বগাৰাম নাথৰ সোঁৱৰণত অসম ভিত্তিত স্ব-ৰচিত কবিতা আৰু প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। কবিতা প্ৰতিযোগিতাৰ বাবে বয়সৰ কোনো সীমা নাথাকে। নবীন-প্ৰবীণ সকলোৱে বাবে মুকলি থাকিব। প্ৰতিযোগিতাৰ বাবে দুটাকৈ কবিতা প্ৰেৰণ কৰিব লাগিব। প্ৰবন্ধ প্ৰতিযোগিতাৰ বিষয় 'স্বৰাজোত্তৰ অসমত উচ্চ শিক্ষা'। প্ৰবন্ধ পাঁচ হাজাৰ শব্দৰ ভিতৰত হ'ব লাগিব। বিজয়ী প্ৰতিযোগীক মহাবিদ্যালয়ৰ বিশেষ সভাত মানপত্ৰ, কিতাপৰ টোপোলা আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। কবিতা আৰু প্ৰবন্ধ ৩০ জুলাই, ২০১৯ তাৰিখৰ ভিতৰত পোৱাকৈ সম্পাদক, যুগবাৰ্তা, মাৰফৎ ঃ ড° অঞ্জন শইকীয়া, অধ্যক্ষ, চিনামৰা মহাবিদ্যালয়, কাব্যক্ষেত্ৰ, চিনামৰা, যোৰহাট-৮ ঠিকনাত প্ৰেৰণ কৰিবলৈ উদ্যোক্তাসকলে জনাইছে। সবিশেষ জানিবৰ বাবে যুগবাৰ্তাৰ সম্পাদক ড° দ্বিপেন নাথ, ফোন ঃ ৭৫৭৬৮৬৫৯০৮-ত যোগাযোগ কৰিব পাৰিব।

'যুগবার্তা' শৈক্ষিক ন্যাসৰ কৃতী ছাত্ৰ-ছাত্ৰীক জলপানি

যোৰহাট ঃ ২৭ আগষ্ট ঃ চিনামৰা মহাবিদ্যালয় প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত মাহেকীয়া বার্তালোচনী 'যুগবার্তা'ৰ উদ্যোগত গঠন হোৱা 'ছাত্ৰবন্ধু শৈক্ষিক ন্যাস'ৰ তৰফৰ পৰা ১৭ আগষ্টত মহাবিদ্যালয়ত অনুষ্ঠিত নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি 'ছাত্ৰবন্ধু ন্যাস'ৰ পৰা শৈক্ষিক জলপানি প্ৰদান কৰা হয়। মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকত নামভর্তি কৰা ছ'নিয়া বীৰুৱা আৰু স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ পার্থপ্রতিম শইকীয়াই যুগবার্তা শৈক্ষিক ন্যাসৰ অধীনত অঞ্জলি বৰাৰ স্মৃতিত এই জলপানি লাভ কৰে। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সহায়িকা পল্লৱী বৰাই তেওঁৰ মাতৃৰ স্মৃতিত এই জলপানি যুগবার্তাৰ জৰিয়তে প্ৰদানৰ ব্যৱস্থা কৰিছে। মাহেকে ৮০০ টকা দুবছৰৰ বাবে এই জলপানি প্ৰথমবাৰৰ বাবে চিনামৰা মহাবিদ্যালয়ৰ এজন ছাত্ৰ আৰু এগৰাকী ছাত্ৰীৰ যোগেদি আৰম্ভ কৰা হেছে আৰু অহা বছৰৰ পৰা জিলাখনৰ মহাবিদ্যালয়সমূহৰ ভিতৰত সর্বোচ্চ নম্বৰপ্ৰাপকক অন্তর্ভুক্ত কৰা হ'ব। তদুপৰি যুগবার্তাৰ ফালৰ পৰা মহাবিদ্যালয়ৰ আন্তঃষাণ্মাসিক পৰীক্ষাত সর্বোচ্চ নম্বৰ প্ৰাপকক ক্ৰমে বুৰঞ্জী বিভাগৰ যুতি বৰুৱা, অর্থনীতি বিভাগৰ অভিষেক হাজৰিকা আৰু অসমীয়া বিভাগৰ চয়নিকা বৰুৱাক ছাত্ৰবন্ধু শিতানৰ পৰা ১০০০ টকাকৈ এককালীন সাহায্য প্ৰদান কৰে। যুগবার্তাৰ সম্পাদক ড° দ্বীপেন নাথে জানিবলৈ দিয়া মতে, পর্যায়ক্ৰমে এই ব্যৱস্থাত অনাগত দিনত বাজ্যখনৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলকো সামৰি লোৱা হ'ব।

দৈনিক জনমভূমি

অসম ভিত্তিত অনলাইন সাহিত্য প্ৰতিযোগিতা

যোৰহাট ঃ ১৩ মে' ঃ চিনামৰা মহাবিদ্যালয়ৰ প্ৰকাশনৰ বাৰ্তালোচনী 'বিশ্বমুখী যুগবাৰ্তা'ৰ উদ্যোগত অনলাইন সাহিত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখন স্নাতক পৰ্যায়ৰ পৰা স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ বিষয়বস্তু হৈছে প্ৰবন্ধ (৩০০ শব্দৰ ভিতৰত, বিষয়- অসমৰ অৰ্থনীতিত কৰ'নাৰ প্ৰভাৱ), কণিকা গল্প আৰু কবিতা। প্ৰতিযোগীয়ে যোগদান কৰা বিষয়টো হাতেৰে লিখি ফটো মাৰি ৱাটছএপৰ যোগেদি বা পি ডি এফ কৰি ই-মেইল যোগে পঠাব পাৰিব। প্ৰতিযাগীৰ নাম, ঠিকনা, শিক্ষানুষ্ঠানৰ নাম লেখনিত স্পষ্টকৈ থাকিব লাগিব। প্ৰতিযোগিতাৰ স্থানপ্ৰাপকসকলক প্ৰথম, দ্বিতীয় আৰু তৃতীয় মানপত্ৰসহ ১৫০০, ১২০০ আৰু ৮০০ টকা আগবঢ়োৱা হ'ব। অসমীয়া লেখাহে গ্ৰহণযোগ্য বুলি বিবেচনা কৰা হ'ব। যোগদানৰ অন্তিম তাৰিখ ৩ জুন, ২০২০। লেখা প্ৰেৰণৰ ৱাটছএপ নাম্বাৰ আৰু ই-মেইল ক্ৰমে ৭৫৭৬৮৬৫৯০৮, ৯৪৩৫২৪৭৯৪৯, ৯৮৫৪৮১১৭৩৬, ৯৪৩৫২২৮৬০৭,tarunsaikia@gmail.com।

বুৰঞ্জীবিদ ড° অজিত দত্তলৈ বঁটা

চিনামৰা মহাবিদ্যালয়লৈ এম্বুলেঞ্চ প্ৰদান

যোৰহাট ঃ ৭ ছেপ্টেম্বৰ ঃ চিনামৰা মহাবিদ্যালয়ত শিক্ষক দিৱসৰ লগত সংগতি ৰাখি ৫ ছেপ্টেম্বৰত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বুৰঞ্জীবিদ ড° অজিত দত্তলৈ আগবঢ়োৱা হয় গুৰু মহীয়ান আনন্দ কেওট স্মাৰক বঁটা। শিৱসাগৰৰ কোঁৱৰপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আনন্দ কেওট স্মাৰক বঁটা প্ৰদানৰ ক্ষেত্ৰত তেওঁৰ পুত্ৰ আৰু বোৱাৰী ক্ৰমে ৰাজীৱ লোচন বৰুৱা আৰু অঞ্জুমণি বৰুৱাই আগবঢ়োৱা ন্যাসৰ পৰা প্ৰদান কৰা হয়। বঁটা প্ৰদানৰ মূল সভাখনত সভাপতিত্ব কৰে প্ৰতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়াই। ড° দ্বীপেন নাথে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাত যোৰহাট মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গোবিন্দ সিং আৰু সৰ্বোদয় মহাবিদ্যালয়ৰ মৃদুল কুমাৰ বৰাক সমাজখনলৈ আগবঢ়োৱা বৰঙনিৰ বাবে বিশেষ সন্মান আগবঢ়োৱা হয়। মহাবিদ্যালয়ৰ ছাত্ৰীসকলে এটি প্ৰাৰ্থনাৰে আৰম্ভ কৰা সভাখনত সমাজকৰ্মী তথা ব্যৱসায়ী বিপুল শইকীয়াই শিক্ষক জিৰণি কোঠাৰ সম্পূৰ্ণ আচবাব প্ৰদান কৰি উপৰি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী উপকৃত হোৱাকৈ এখন এম্বুলেঞ্চ প্ৰদান কৰাৰ কথা ঘোষণা কৰে। সভাত বঁটাপ্ৰাপকসকলে ভাষণ আগবঢ়োৱাৰ লগতে বঁটাৰ দাতা অঞ্জুমণি বৰুৱাই বঁটাটো আজীৱন চলাই যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত মহাবিদ্যালয় প্ৰকাশনৰ দুখন গ্ৰন্থ উন্মোচন হোৱাৰ লগতে 'বিশ্বমুখী যুগবাৰ্তা'ৰ সংখ্যাটোও প্ৰকাশ হয়। লেখক অৱনীকান্ত বৰাৰ 'এমুঠি ফুলৰ সুবাস' আৰু ড° গিৰীশ বৰুৱাৰ 'খ্ৰীষ্টান ধৰ্ম-এক সমীক্ষা' গ্ৰন্থ দুখন উন্মোচন কৰে কবি-নাট্যকাৰ বিনয় শইকীয়া আৰু ড° অজিত দত্তই। সাংস্কৃতিক কৰ্মী বিকাশজ্যোতি মহন্তই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা সভাৰ শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড° বৰ্ণালী বৰঠাকুৰে। শিক্ষক দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ কৰ্মচাৰী ব্ৰজেন শইকীয়াই দান কৰা স্মৃতি সৌধ উন্মোচন কৰে কাথবাপু সত্ৰৰ অধিকাৰ প্ৰভাত চন্দ্ৰ মহন্তই। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই আদৰণী ভাষণত ব্ৰজেন শইকীয়াৰ বদান্যতাৰ শলাগ লয়।

GYNAEC
For CONS
& TREA
OPD: From
Available for
ALL TYPES OF
GYNAECOLOG

ৰাজ্যিক বঁটা প্ৰদান ঃ স্মৃতি সৌধ-শিক্ষকৰ জিৰণি কোঠা-গ্ৰন্থ মুকলি

চিনামৰা মহাবিদ্যালয়ৰ বাৰ্তালোচনী উন্মোচন

...মাৰ খবৰ, ন-আলি ঢেকিয়াজুলি, ১০ ...ছেপ্টেম্বৰ ঃ চিনামৰা মহাবিদ্যালয়ত শিক্ষক ...দিৱসৰ লগত সংগতি ৰাখি চিনামৰা ...হাবিদ্যালয় প্ৰকাশনৰ বাৰ্তালোচনী 'বিশ্বমুখী ...যুগবাৰ্তা'ৰ গুৰু মহীয়ান আনন্দ কেওট স্মাৰক ...জ্যিক বঁটা প্ৰদান আৰু বিশেষ সন্মানৰ লগতে ...হাবিদ্যালয়ৰ স্থায়ী স্মৃতি সৌধ উন্মোচন, ...ক্ষক জিৰণি কোঠাৰ অত্যাধুনিক আচবাব ...ন্মোচন আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত ...হ যায়। এই উপলক্ষে মহাবিদ্যালয় প্ৰাংগণত ...া ৯.৩০ বজাত সৰ্বপল্লী ৰাধাকৃষ্ণণ আৰু ...নন্দ কেওটৰ প্ৰতিচ্ছবিৰ সন্মুখত স্থানীয় ...কৰ আজান সংগীত কলা মহাবিদ্যালয়ৰ পৰিচালক বিকাশজ্যোতি মহন্তই বন্তি প্ৰজ্বালন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ কৰ্মচাৰী ব্ৰজেন শইকীয়াই তেওঁৰ পিতৃ-মাতৃৰ স্মৃতিত নিৰ্মাণ কৰা মহাবিদ্যালয়ৰ স্মৃতিসৌধ উন্মোচন কৰে কৰঙাৰ ঐতিহাসিক শ্ৰীশ্ৰী কাথবাপু সত্ৰৰ সত্ৰাধিকাৰ প্ৰভাত চন্দ্ৰ মহন্তই। কাৰ্যসূচীৰ আগে আগে মহাবিদ্যালয়ৰ অধ্যাপক বঞ্জু কুমাৰ ভৰালীয়ে আঁতধৰা অনুষ্ঠানত স্মৃতিসৌধৰ দাতা ব্ৰজেন শইকীয়া আৰু পৰিয়ালবৰ্গই সত্ৰাধিকাৰকে প্ৰমুখ্য কৰি চাৰিগৰাকীক সত্ৰীয়া নিয়মেৰে সেৱা জনায়। অনুষ্ঠানতে চিনামৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই প্ৰদান কৰা আদৰণী ভাষণত স্মৃতিসৌধৰ দাতাৰ পিতৃ ধৰ্মেশ্বৰ শইকীয়াৰ সম্পৰ্কত আলোকপাত কৰে। ইয়াৰ পাছতে অধ্যাপক তৰুণ শইকীয়াই আঁতধৰা অনুষ্ঠানত নকছাৰিৰ ভেলেউগুৰি বিশিষ্ট ব্যৱসায়ী বিপুল শইকীয়াৰ দানেৰে মহাবিদ্যালয়ৰ শিক্ষক জিৰণি কোঠাৰ বাবে অত্যাধুনিক আচবাব প্ৰদান অনুষ্ঠানত সামগ্ৰীসমূহৰ দাতা বিপুল শইকীয়াক মহাবিদ্যালয়ৰ হৈ সম্বৰ্দ্ধনা জনোৱা হয়। দিনৰ ১১ বজাত চিনামৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়াৰ সঞ্চালনত তথা অধ্যাপক ড° দ্বীপেন নাথে আঁতধৰা স্মাৰক বঁটা আৰু বিশেষ সন্মান প্ৰদান, গ্ৰন্থ আৰু বাৰ্তালোচনী উন্মোচনী সভাত যোৰহাটৰ পটিয়াগাঁও নিবাসী অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অজিত কুমাৰ দত্তক ২০২১ বৰ্ষৰ 'গুৰু মহীয়ান আনন্দ কেওট স্মাৰক ৰাজ্যিক বঁটা প্ৰদান কৰা হয়। চিনামৰা মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, বহু সংখ্যক শিক্ষাৰ্থী, আনন্দ কেওট স্মাৰক বঁটাৰ দাতা ৰাজীৱ লোচন সম্পূৰ্ণ কোভিড প্ৰটকল মানি অনুষ্ঠিত হোৱা সভাতে যোৰহাট মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° এন গোবিন্দ সিংহ আৰু লেখক মৃদুল কুমাৰ বৰাক বিশেষ সন্মান প্ৰদান কৰা হয়। সভাত বিশিষ্ট অতিথিৰূপে যোগদান কৰি শিক্ষক জিৰণি কোঠাৰ আচবাব প্ৰদান কৰা দাতা বিপুল শইকীয়াই নিজৰ বক্তব্যত কিছুদিনৰ ভিতৰতে চিনামৰা মহাবিদ্যালয়লৈ এখন এম্বুলেন্স প্ৰদান কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে।' গাম্ভীৰ্যপূৰ্ণভাৱে অনুষ্ঠিত অনুষ্ঠানত মহাবিদ্যালয় প্ৰকাশনৰ পৰা প্ৰকাশিত দুখন গ্ৰন্থ ক্ৰমে অৱনীকান্ত বৰাৰ ৰচিত 'এঠুপি ফুলৰ সুবাস' উন্মোচন কৰে বিনয় শইকীয়াই আৰু ড° গিৰীশ বৰুৱাৰ ৰচিত গ্ৰন্থ 'খ্ৰীষ্টান ধৰ্ম ঃ এক সমীক্ষা' উন্মোচন কৰে ড° অজিত কুমাৰ দত্তই। অধ্যাপিকা বৰ্ণালী বৰঠাকুৰে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানতেই মহাবিদ্যালয়ৰ আলোচনী বিশ্বমুখী যুগবাৰ্তা উন্মোচন কৰে।

Jorhat, Sunday, August 8, 2021

যোৰহাটৰ চিনামৰা মহাবিদ্যালয়ত বঁটা প্রদান অনুষ্ঠান সম্পন্ন

গণ বার্তা, চিনামৰা, ৬ ছেপ্টেম্বৰ ঃ দক্ষিণ যোৰহাটৰ একমাত্র উচ্চ শিক্ষাৰ অনুষ্ঠান চিনামৰা মহাবিদ্যালয়ত কালি দিনযোৱা কার্যসূচীৰে শিক্ষক দিৱসৰ লগত সংগতি বাখি চিনামৰা মহাবিদ্যালয় প্রকাশনৰ বার্তালোচনী "বিশ্বমুখী যুগবার্তা"ৰ গুৰু মহীয়ান আনন্দ কেওঁট স্মাৰক বাজিক বঁটা প্রদান আৰু বিশেষ সম্মানৰ লগতে মহাবিদ্যালয়ৰ স্থায়ী স্মৃতি সৌধ উন্মোচন, শিক্ষক জিৰণি কোঠাৰ অত্যাধুনিক আচবাব উন্মোচন আৰু গ্রন্থ উন্মোচনী সভা অনুষ্ঠিত হৈ যায়। এই উপলক্ষে মহাবিদ্যালয় প্রাঙ্গণত সর্বপল্লী বাধাকৃষ্ণণ আৰু আনন্দ কেওঁটৰ প্রতিচ্ছবিৰ সম্মুখত স্থানীয় শংকৰ আজান সংগীতকলা মহাবিদ্যালয়ৰ পৰিচালক তথা জেষ্ঠ সাংবাদিক বিকাশজ্যোতি মহন্তই বন্তি প্রজ্বালন কৰি কার্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ কর্মচাৰীব্রজেন শইকীয়াই তেওঁৰ পিতৃ-মাতৃৰ স্মৃতিত নির্মাণ কৰা মহাবিদ্যালয়ৰ স্মৃতি সৌধ উন্মোচন কৰে কৰঙ্গৰ ঐতিহাসিক শ্রীশ্রী কাথবাপু সত্রৰ সত্রাধিকাৰ প্রভাত চন্দ্র মহন্তই। উক্ত কার্যসূচীৰ আগে আগে মহাবিদ্যালয়ৰ অধ্যাপক বঞ্জু কুমাৰ ভবালীয়ে আঁত ধৰা অনুষ্ঠানত স্মৃতি সৌধৰ দাতা ব্রজেন শইকীয়া আৰু পৰিয়ালকগই সত্রাধিকাৰকে প্রমুখ্য কৰি চাৰিগাকীক সত্রীয়া নিয়মেৰে সেৰা জনায় উক্ত অনুষ্ঠানতে চিনামৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ অঞ্জন শইকীয়াই প্রদান কৰা আৱণি ভাষণত স্মৃতিসৌধৰ দাতাৰ পিতৃ ধর্মেশ্বৰ শইকীয়াৰ সম্পর্কত আলোকপাত কৰে ইয়াৰ পাছতে অধ্যাপক তৰুণ শইকীয়াই আঁত ধৰা অনুষ্ঠানত নকছৰিৰ ভেলেউগুৰি নিবাসী বিশিষ্ট ব্যবসায়ী বিপুল শইকীয়াৰ দানেৰে মহাবিদ্যালয়ৰ শিক্ষক জিৰণি কোঠাৰ বাৰে অত্যাধুনিক আচবাব প্রদান অনুষ্ঠানত সামগ্রীসমূহৰ দাতা বিপুল শইকীয়াক মহাবিদ্যালয়ৰ হৈ সম্বর্দ্ধনা জনোৱা হয়। দিনৰ ১১ বজাত চিনামৰা মহাবিদ্যালয়ৰ প্রতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়াৰ সঞ্চালনাত তথা অধ্যাপক ডঃ দীপেন নাথে আঁত ধৰা স্মাৰক বঁটা আৰু বিশেষ সম্মান প্রদান, গ্রন্থ আৰু বার্তালোচনী উন্মোচনী সভাত যোৰহাটৰ পটিয়াগাওঁ নিবাসী তথা জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অবসৰপ্রাপ্ত অধ্যাপক ডঃ অজিত কুমাৰ দত্তক ২০২১ বর্ষৰ "গুৰু মহীয়ান আনন্দ কেওঁট স্মাৰক বাজিক বঁটা প্রদান কৰা হয়। চিনামৰা মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্রী, কর্মচাৰী, বহু সংখ্যক শিক্ষার্থী, আনন্দ কেওঁট স্মাৰক বঁটাৰ দাতা বাজীৰ লোচন বৰুৱা আৰু অঞ্জুমণি বৰুৱাৰ উপৰি কেইবাজনো গন্যমান্য ব্যক্তিৰ উপস্থিতিত সম্পূর্ণ ক'ভিড প্রট'কল মানি অনুষ্ঠিত হোৱা উক্ত সভাতে

যোৰহাট মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অবসৰপ্রাপ্ত অধ্যাপক ডঃ এন. গোবিন্দ সিংহ আৰু বিশিষ্ট সাহিত্যিক মৃদুল কুমাৰ বৰাক বিশেষ সম্মান প্রদান কৰা হয়। সভাত বিশিষ্ট অতিথি ৰূপে যোগদান কৰি শিক্ষক জিৰণি কোঠাৰ আচবাব প্রদান কৰা দাতা বিপুল শইকীয়াই নিজৰ বক্তব্যত কিছুদিনৰ ভিতৰতে চিনামৰা মহাবিদ্যালয়লৈ এখন এম্বুলেন্স প্রদান কৰিব বুলি প্রতিশ্রুতি দিয়ে।' অতি গাম্ভীর্যপূর্ণভাৱে অনুষ্ঠিত উক্ত অনুষ্ঠানত মহাবিদ্যালয় প্রকাশনৰ পৰা প্রকাশিত দুখন গ্রন্থ ক্রমে অৰুনী কান্ত বৰাৰ ৰচিত 'এঠুপি ফুলৰ সুবাস' উন্মোচন কৰে বিনয় শইকীয়াই আৰু ডঃ গিৰীশ বৰুৱাৰ ৰচিত গ্রন্থ 'খ্রীষ্টান ধর্ম ঃ এক সমীক্ষা' উন্মোচন কৰে ডঃ অজিত কুমাৰ দত্তই। অধ্যাপিকা বর্ণালী বৰঠাকুৰে শলাগৰ শৰাই আগবঢ়োৱা উক্ত অনুষ্ঠানত উপস্থিত ৰাইজে সমুহীয়াকৈ একেলগে চিনামৰা মহাবিদ্যালয় প্রকাশনৰ বার্তালোচনী বিশ্বমুখী যুগবার্তা উন্মোচন কৰা হয়।

প্রতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়াৰ প্রতিমূর্তি উন্মোচন

চিনামৰা কলেজত ৰাজ্যিক কৃতী শিক্ষকক বঁটা প্রদান

প্রতিবেদক, মৰিয়নি, ৫ ছেপ্টেম্বৰ ঃ যোৰহাট জিলাৰ উচ্চশিক্ষাৰ অগ্রণী অনুষ্ঠান চিনামৰা মহাবিদ্যালয়ত আজি শিক্ষক দিৱসৰ দিনাই দুজনকৈ বৰেণ্য শিক্ষাবিদ, সাহিত্যিকক ৰাজ্যিক বঁটা প্রদান কৰাৰ লগতে শিক্ষানুষ্ঠানখনৰ প্রতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়াৰ সুবৃহৎ পূর্ণাংগ মূর্তি স্থাপন কৰা হয়। চিনামৰা মহাবিদ্যালয় প্রকাশনৰ দ্বাবা প্রকাশিত বার্তালোচনী 'বিশ্বমুখী যুগবার্তা'ৰ উদ্যোগত এই বর্ষৰ গুৰু মহীয়ান আনন্দ কেওট ৮ পৃষ্ঠাত

চিনামৰা কলেজত ৰাজ্যিক কৃতী

স্মাৰক ৰাজ্যিক বঁটা শিক্ষাবিদ, সাহিত্যিক প্রাগজ্যোতিকাৰ সঞ্চালক অচ্যুতদ্বীপ শইকীয়াক আৰু শিক্ষক সমাজকর্মী অতুল শর্মা স্মাৰক ৰাজ্যিক বঁটা বিশিষ্ট শিক্ষাবিদ, সুসাহিত্যিক, কবি, অবসৰপ্রাপ্ত মুৰব্বী অধ্যাপক ডঃ প্রদীপ কুমাৰ বৰুৱাক প্রদান কৰা হয়। মহাবিদ্যালয়ৰ প্রেক্ষাগৃহত অধ্যক্ষ ডঃ অঞ্জন শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে অধ্যাপক ডঃ দীপেন নাথে। অধ্যাপক অচ্যুত দত্ত আৰু অধ্যাপক ডঃ দীপেন নাথে আঁত ধৰা সভাখনত ২০২২ বর্ষৰ গুৰু মহীয়ান আনন্দ কেওট স্মাৰক ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা অচ্যুতদ্বীপ শইকীয়াক প্রদান কৰে অবসৰপ্রাপ্ত উপাধ্যক্ষ তথা চিনামৰা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ বীণাপাণি দেৱীয়ে। অতুল শর্মা স্মাৰক ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা সু-সাহিত্যিক, শিক্ষাবিদ ডঃ প্রদীপ কুমাৰ বৰুৱাক প্রদান কৰে ডাঃ মাখন বৰদলৈয়ে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি পৰিচালনা সমিতিৰ সভাপতি ডঃ বীণাপাণি দেৱী, শিক্ষক সমাজকর্মী অতুল শর্মা ৰাজ্যিক বঁটাৰ দাতা তথা চিনামৰা জাতীয় বিদ্যালয়ৰ অধ্যক্ষ অমৰজ্যোতি শর্মা আদিয়েও বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়খনৰ চৌহদৰ স্থাপন কৰা প্রতিষ্ঠাপক অধ্যক্ষ, শিক্ষাবিদ, ইতিহাসবিদ অবসৰপ্রাপ্ত উপাধ্যক্ষ আনন্দ শইকীয়াৰ পূর্ণাংগ প্রতিমূর্তি উন্মোচন কৰে গোলাঘাটৰ বিশিষ্ট চিকিৎসক, সমাজকর্মী ডাঃ মাখন বৰদলৈয়ে। প্রতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়াক মহাবিদ্যালয় শিক্ষক গোট, শাখা সাহিত্য সভা, মহিলা কোষ, প্রতিমূর্তি উন্মোচক ডাঃ মাখন বৰদলৈ আদিয়েও সম্বর্ধনা জনায়। সম্বর্ধনা গ্রহণ কৰি আনন্দ শইকীয়াই আবেগিক হৈ পৰে। তেওঁ এয়া জীৱনৰ শ্রেষ্ঠ প্রাপ্তি বুলি উল্লেখ কৰি কয়— নিজে প্রতিষ্ঠা কৰা শিক্ষানুষ্ঠানখনত তেওঁৰ প্রতিমূর্তি স্থাপনত কোনোদিনেই কামনা কৰা নাছিল। কিন্তু শিক্ষক গোটে তেওঁৰ লগতে পৰিয়ালৰ আপত্তি সত্ত্বেও সেয়া কৰিলে বুলি মন্তব্য কৰে। মহাবিদ্যালয়ৰ বার্তালোচনী 'বিশ্বমুখী যুগবার্তা' সমুহীয়াকৈ উন্মোচন কৰা হয়। অধ্যাপক তৰুণ শইকীয়াই শলাগৰ শৰাই আগবঢ়েৱা সভাখনত শিক্ষক অতুল শর্মা স্মাৰক বঁটাৰ অন্যতম দাতা দিব্যজ্যোতি শর্মা, বঁটাপ্রাপক ডঃ প্রদীপ কুমাৰ বৰুৱাৰ সহধর্মিণী, মৰিয়নিৰ বিদুষী মহিলা তথা শিক্ষাবিদ আনন্দ শইকীয়াৰ সহধর্মিণী চম্পাবতী শইকীয়া প্রমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

Form No_____

Application for *Jugabarta* Merit Scholarship
(A monthly News Magazine published by Cinnamara College)

Photo

(The Scholarship is in memory of Late Anjali Borah, Mother of Mrs. Pallabi Borah, Library Assistant, Cinnamara College)

1. Name of the Candidate : Shri/Miss_____
(In Block letter)
2. Name of the father :_____
3. Name of the Mother :_____
4. Class(H.S/B.A.) :_____
5. Percentage in HSLC/ HS :_____
6. Address Mobile No_____

Town_____Village_____P.O._____
_____P.S._____Dist._____Pin_____

(Signature of the Guardian) (Signature of the Applicant)

Condition, Rules and Regulations

1. To obtain this Scholarship, he/she must be an admitted student in the H.S first year and B.A. 1st Semester. Initially, the students of Cinnamara College are to be preferred. It has also provision to cover the students of other colleges of Jorhat District in near future. But, one candidate must be from our College. The duration of the scholarship is two years (Must deposit the Marksheet).
2. In each year during the day of fresher's social of the college, the announcement will be given for this scholarship.
3. Only two candidates (Male/Female) will be selected for this scholarship in each academic session of the college. To obtain this scholarship, a candidate must obtain more than 70% percent in the H.S.L.C./H.S. examination(*i.e.* for the student who admits in the H.S. First year and B.A. Ist Semester).
4. The scholarship will be in memory of late Anjali Borah, mother of Mrs. Pallabi Borah, Library Assistant of the College.
5. Selected candidates will obtain Rs. 800/- Per Month. The editor of the news journal will deposit amount through their respective bank accounts and the receipt of the amount must be deposited either to the Principal of the College or to the editor of the news Journal.
6. If the recipient of this scholarship fails to pass, or leave the college or seen or found any misuse of the fund, he or she will not able to obtain the scholarship the area amount.
7. There is a provision to increase the percentage of marks for the recipient of the Scholarship.
8. The provision is also laid to increase the amount of the scholarship in near future.
9. Only merit will be preferred on the basis of percentage.
10. The decision of the selection committee is the final.
11. Last date of the application on 13-08-2019.

Editor
Jugabarta,(News Journal), Cinnamara College
Contact No : 7576865908

Format of Jugabarta Chatra-Bondhu Merit Scholarship

Compilation of first, 2nd, 3rd and 4th issues of Jugabarta, New Magazine of the College and Edited by Dr. Dipen Nath, Editor, Jugabarta, Published by Cinnamara College Sakha Sahitya Sabha and Publication, Cinnamara, Jorhat-8, Vol-I, 2018, ISBN: 978-93-84191-59-7, available in https://www.amazon.in/dp/B09LHXTFY5/ref=cm_sw_r_wa_apa_glt_NT46SDRECRX433HXXXT1

Award Received by *Biswamukhi Jugabarta* Family

Dr. Dipen Nath(from the Right) Editor, *Biswamukhi Jugabarta of the College received '**Prajanma Protiva State Award'** from Kabyashree Prakash, Teok on 15-12-2018 from Dr. Profulla Nath, Professor,Gauhati University at Jorhat Press Club.*


Government of Assam

Lekhok Sambardhana

Under the scheme 'Assam Bhasa Gourav Achoni'

Pratap Chandra Sarmah

Pulibar, Jorhat Dist.

We congratulate you for being one of the recipient of LEKHOK SAMBARDHANA under the 'Assam Bhasa Gourav Achoni' scheme of Government of Assam, Higher Education Department. We wish you success in life.

Awarded on this 1st day of February, 2021

Dr. Himanta Biswa Sarma
Minister of Education, Govt. of Assam

Sarbananda Sonowal
Chief Minister, Assam

Department of Higher Education,Government of Assam


Government of Assam

Lekhok Sambardhana

Under the scheme 'Assam Bhasa Gourav Achoni'

Taposh Kumar Boruwah

Jorhat Dist.

We congratulate you for being one of the recipient of LEKHOK SAMBARDHANA under the 'Assam Bhasa Gourav Achoni' scheme of Government of Assam, Higher Education Department. We wish you success in life.

Awarded on this 1st day of February, 2021

Dr. Himanta Biswa Sarma
Minister of Education, Govt. of Assam

Sarbananda Sonowal
Chief Minister, Assam

Pratap Chandra Sarmah and Taposh Kumar Baruwah, Assistant Editors of the News Magazine of the College received state ***Lekhok Sambardhana*(Writers Award)** from **Govt. of Assam**, 2021

Our College family is beholding more academic reciprocity, healthy suggestion and healthy criticism from the learned section of the state and the country to materialize the strong root of

Our Vision and Mission

in the days to come……